# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-08-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অহা মাহত অনুষ্ঠিত হ'বলগীয়া উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে বিজেপি মিত্ৰজোঁটে মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। বিজেপি ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি সন্ধিয়া সংবাদমেলযোগে এই কথা সদৰি কৰে। শ্ৰীনাড্ডাই কয় যে এন ডি এৰ সকলো সহযোগী দলে এই সিদ্ধান্তক সমৰ্থন কৰিছে। তেওঁ লগতে কয় যে উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ বিজেপিয়ে সকলো দলৰ সৈতে আলোচনা কৰিছে। যোৱা সপ্তাহত বিজেপিয়ে তেওঁলোকৰ সহযোগী দল আৰু বিৰোধী দলসমূহৰ সৈতে যোগাযোগ কৰিছিল। উল্লেখযোগ্য যে, আজি নতুন দিল্লীত থকা বিজেপিৰ মুখ্য কাৰ্যালয়ত বিজেপিৰ সংসদীয় পৰিষদৰ বৈঠক অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহ মন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকতে চি পি ৰাধাকৃষ্ণণৰ নাম উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰ বাবে গ্ৰহণ কৰা হয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে বিগত লোকসভা অধিবেশনৰ সময়তে উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে স্বাস্থ্যজনিত কাৰণত দায়িত্বৰ পৰা অব্যাহতি লৈছিল।

ooooo

বিশ্বনাথ জিলা প্ৰশাসনে চৰকাৰী জৰীপ নোহোৱা জাপৰিগুৰিৰ ১৭৫ বিঘা ভূমিত উচ্ছেদ অভিযান আৰম্ভ কৰিছে। প্ৰথম দিনাৰ অভিযান আজি বিয়লি ৪ বজাত অন্ত পৰে। কাইলৈ পুৱা ৮ বজাৰ পৰা অঞ্চলটোত পুনৰ উচ্ছেদ চলিব বুলি জিলা প্ৰশাসনে প্ৰকাশ কৰিছে। যোৱা ২ আগষ্টত অঞ্চলটোৰ ৩০৯টা পৰিয়াললৈ উচ্ছেদৰ জাননী জাৰি কৰি তেওঁলোকক ১৫ দিনৰ ভিতৰত সেই স্থান এৰি যাবলৈ নিৰ্দেশ দিয়া হৈছিল। যিকোনো অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ বাবে অঞ্চলটোত আৰক্ষী-নিৰাপত্তাৰক্ষী নিয়োগ কৰা হয়। উচ্ছেদ অভিযানৰ সময়ত যাতে কোনো আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে অঞ্চলটোত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ ধাৰা বলৱৎ কৰা হয়।

ooooo

ৰাজ্যৰ আদৰ্শ মহাবিদ্যালয়সমূহত অৱসৰপ্ৰাপ্ত শিক্ষকক নিযুক্তি দিয়া বিষয়টোক লৈ সদৌ অসম ছাত্ৰ সন্থা আৰু ৰাজ্যৰ ৯টাকৈ শিক্ষক সংগঠনৰ মাজত আজি এখন বৈঠক অনুষ্ঠিত হয়। গুৱাহাটীৰ পাণবজাৰত অনুষ্ঠিত এই বৈঠকত শিক্ষিত যুৱক-যৱতীক বঞ্চিত কৰি অৱসৰপ্ৰাপ্ত শিক্ষকক নিযুক্তি দিয়াৰ বিৰোধিতা কৰে। চৰকাৰে যদি অৱসৰপ্ৰাপ্ত শিক্ষক নিযুক্তি দিয়াটো অপৰিহাৰ্য বুলি ভাবিছে তেন্তে তেওঁলোকক তত্বাৱধায়ক বা অতিথি অধ্যাপক হিচাপে নিযুক্তি দিয়ক বুলি তেওঁলোকে দাবী জনাইছে।

ooooo

গায়ক, সুৰকাৰ তথা গীতিকাৰ খগেন মহন্তৰ আজি ৮৪ সংখ্যক জন্ম বাৰ্ষিকী। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি গুৱাহাটী কাহিলিপাৰাত থকা জ্যোতি চিত্ৰবনৰ ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহত শিল্পী খগেন মহন্তৰ জয়ন্তী উপলক্ষে **যায় অ' কানু বাই বেণু** শীৰ্ষক এটা সুৰীয়া সন্ধিয়াৰ আয়োজন কৰা হয়। বিয়লি চাৰে ৫ বজাত আৰম্ভ হোৱা এই অনুষ্ঠানত শিল্পীগৰাকীৰ কালজয়ী গীতসমূহৰ স্মৃতি সোঁৱৰণ কৰা হয়।

উল্লেখযোগ্য যে ১৯৬৫ চনৰ পৰা আকাশবাণীৰ নিয়মীয়া শিল্পী হিচাপে গীত গাই ১৯৭২ চনত তেওঁ প্ৰথম শ্ৰেণীৰ সুগম সংগীত আৰু লোকসংগীতৰ শিল্পী হিচাপে আকাশবাণীৰ স্বীকৃতি লাভ কৰে। ১৯৭৪ চনৰ পাছত তেওঁ আকাশবাণীত সুৰকাৰ হিচাপে চাকৰিত যোগদান কৰি পাছলৈ সংগীত প্ৰযোজক আৰু শেষত আকাশবাণীৰ উত্তৰ-পূব সঞ্চালকালয়ৰ সহকাৰী সঞ্চালক হিচাপে ২০০১ চনৰ ৩১ ডিচেম্বৰত অৱসৰ লয়।

ooooo

স্বাধীনতা সংগ্ৰামৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ উদ্দেশ্যে আয়োজিত পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত আজি **মাংৰী মেম - সেউজী অগ্নিকন্যা** শীৰ্ষক নাটখন মঞ্চস্থ কৰা হয়। দুলীয়াজানৰ পথাৰ নাট্যগোষ্ঠীয়ে পৰিবেশন কৰা নাটখনৰ নাট্যকাৰ পংকজজ্যোতি ভূঞা আৰু পৰিচালক পবিত্ৰ চেতিয়া। সন্ধিয়া ৫ বজাত আৰু চাৰে সাত বজাত নাটখনৰ দুটাকৈ দৰ্শনী পৰিবেশন কৰা হয়। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এই নাট মেলা অনুষ্ঠিত হৈ আছে।

কালি সন্ধিয়া **গোভাৰজা চত্ৰসিং - অপ্ৰতিৰোধ্য দেওৰজা** নামৰ নাটখন মঞ্চস্থ হয়। কাইলৈ **ব্ৰজনাথ-বিপ্লৱী অগ্নিবীৰ** শীৰ্ষক আন এখন নাট মঞ্চস্থ কৰা হ'ব।

ooooo

বজালী জিলাৰ পাটাছাৰকুছিৰ কুইন্সলেণ্ড ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে আয়োজিত ফুটবল প্ৰতিযোগিতাত মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাই চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰিছে। খেলখনত মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাই ডি চি ডি এম ফুটবল ক্লাবক টাইব্ৰেকাৰত ৯-৮ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। প্ৰতিযোগিতাখন আজি পাটাছাৰকুছি বিদ্যাপীঠৰ খেলপথাৰত অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে ডি চি ডি এম ফুটবল ক্লাবৰ বোগোৱে। আনহাতে মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাৰ দোলী আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হয়।

ooooo

ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত কাইলৈৰ পৰা গুৱাহাটী আৰু সোণাপুৰত পিলিক চৌধুৰী সোঁৱৰণী ১৫ বছৰ অনূৰ্ধ ল'ৰাৰ আন্তঃজিলা বিদ্যালয় ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৰাজ্যৰ মুঠ ৩৫ খন জিলাৰ দল তথা প্ৰায় ৭০০ খেলুৱৈ আৰু বিষয়াই প্ৰতিযোগিতাখনত যোগদান কৰিছে। প্ৰতিযোগিতাৰ খেলসমূহ গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ নেহৰু ষ্টেডিয়ামৰ দুখনকৈ খেলপথাৰৰ লগতে সোণাপুৰৰ তেপেচীয়াত থকা এল এন আই পি ই ৰ ফুটবলৰ গ্ৰাউণ্ডত হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ